**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 08-DEC-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

বৰাক উপত্যকাত বিমান যোগাযোগ ব্যৱস্থাৰ প্ৰসাৰৰ হকে শিলচৰৰ ডলু চাহ বাগিচাত গ্ৰীণ ফিল্ড বিমানবন্দৰ নিৰ্মাণৰ বাবে ভাৰতীয় বিমানবন্দৰ প্ৰাধিকৰণলৈ ৩ হাজাৰ বিঘা ভূমি হস্তান্তৰত ৰাজ্যিক মন্ত্ৰীসভাই অনুমোদন জনাইছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত কালি দিছপুৰৰ লোকসেৱা ভৱনত অনুষ্ঠিত ৰাজ্যিক মন্ত্ৰীসভাৰ বৈঠকত এই সিদ্ধান্ত লোৱা হয়। বৈঠকৰ অন্তত এখন সংবাদমেলত এই কথা প্ৰকাশ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই সিদ্ধান্তৰ ফলত বিমানবন্দৰটো নিৰ্মাণৰ ক্ষেত্ৰত কেন্দ্ৰীয় মন্ত্ৰীসভাৰ অনুমোদন লাভৰ পথ প্ৰশস্ত হ'ব। ড০ শৰ্মাই মন্ত্ৰীসভাৰ আন কেতবোৰ গুৰুত্বপূৰ্ণ সিদ্ধান্তৰ কথা উল্লেখ কৰি কয়, যে মিছন বসুন্ধৰাৰ অধীনত ৰাজ্যৰ এহেজাৰ ২০০ পৰিয়ালক ভূমি পট্টা প্ৰদান কৰা হ'ব। মন্ত্ৰীসভাই অসম বিষয়ক জ্ঞানেৰে শিক্ষাৰ্থীৰ উত্তৰণত গুৰুত্ব আৰোপ কৰি ৰাজ্যৰ সকলো প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক বিদ্যালয়ৰ ষষ্ঠ, সপ্তম আৰু অষ্টম শ্ৰেণীত বাধ্যতামূলক বিষয় হিচাপে বুৰঞ্জী আৰু ভূগোল বিষয় দুটা অন্তৰ্ভুক্তিৰ সিদ্ধান্ত গ্ৰহণ কৰে। অসম চুক্তিৰ ছয় নম্বৰ দফা ৰূপায়ণৰ উদ্দেশ্যে অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ কুমাৰ শৰ্মাৰ নেতৃত্বত গঠিত সমিতিৰ পৰামৰ্শ অনুসৰি মন্ত্ৰীসভাই এই সিদ্ধান্ত লয় বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে।

**বাইট (চি এম)**

মন্ত্ৰীসভাই কাৰ্বি আংলং জিলাৰ লংভাকুত ৰাজ্যৰ দ্বিতীয়খন সৈনিক বিদ্যালয় স্থাপনৰ বাবে প্ৰশাসনিক অনুমোদন দিয়ে। ৩৩৫ কোটি টকা ব্যয়ৰে নিৰ্মাণ হ'বলগীয়া সৈনিক বিদ্যালয়খনৰ মুঠ নিৰ্মাণ ব্যয়ৰ ৮০ শতাংশ প্ৰতিৰক্ষা মন্ত্ৰালয়ে আৰু ২০ শতাংশ ধন অসম চৰকাৰে গ্ৰহণ কৰিব। কালিৰ বৈঠকত ডিমা হাছাও জিলাত চাৰিলেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণৰ সময়ত ভূমি অধিগ্ৰহণ কৰা ৮৮৪টা পৰিয়ালক ক্ষতিপূৰণ দিয়াৰ সিদ্ধান্ত লোৱা হয়। মন্ত্ৰীসভাই গুৱাহাটীৰ অসম অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ চৌহদত ২৪৩ কোটি ৬৬ লাখ টকা ব্যয়ৰে বিমান ক্ষেত্ৰ আৰু প্ৰতিৰক্ষা, মটৰগাড়ী আৰু বৈদ্যুতিক বাহন উদ্যোগৰ এটা উৎকৰ্ষ কেন্দ্ৰ স্থাপনত অনুমোদন জনায়।

০০০০০০

২০২৫ বৰ্ষৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত ৮০ শতাংশ বা ততোধিক নম্বৰ লাভ কৰা শিক্ষাৰ্থীসকলক ড০ বাণীকান্ত কাকতি মেধা বঁটা আঁচনিৰ অধীনত আজি স্কুটাৰ প্ৰদান কৰা হ'ব। এইবাৰ এই বঁটা লাভ কৰা ১১ হাজাৰ ২৫০ গৰাকী শিক্ষাৰ্থীৰ ভিতৰত ৬ হাজাৰ ৮৬০ গৰাকী ছাত্ৰী আৰু ৪ হাজাৰ ৩৯০ গৰাকী ছাত্ৰ আছে। গুৱাহাটীৰ পাঞ্জাবাৰীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আজি দিনৰ ১১ বজাত এই উপলক্ষে আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু শিক্ষামন্ত্ৰী ডা০ ৰণোজ পেগু উপস্থিত থাকিব। উল্লেখযোগ্য যে মুখ্যমন্ত্ৰীৰ নিযুত মইনা আঁচনিৰ সুবিধা লাভ কৰা ছাত্ৰীয়ে এই বঁটা লাভ নকৰে।

০০০০০০

নামৰূপ সাৰ কাৰখানাৰ বৰ্তমান উৎপাদন সম তৃতীয় গোটত কালি সন্ধিয়া ভয়াৱহ অগ্নিকাণ্ড সংঘটিত হয়। এমোনিয়া উৎপাদন কৰা তৃতীয় গোটটোত সন্ধিয়া প্ৰায় ৭ বজাত জুই লাগে। জুইৰ লেলিহান শিখাই পলকতে সমগ্ৰ এলেকাটো আঁৱৰি লয়। অৱশ্যে সাৰ কাৰখানা, ৰাজ্যিক অগ্নি নিৰ্বাপক বাহিনী আৰু অইল ইণ্ডিয়াৰ অগ্নি নিৰ্বাপক বাহিনী ৪৫ মিনিটৰ ভিতৰত ঘটনাস্থলীত উপস্থিত হৈ জুই নুমুৱাবলৈ সমৰ্থ হয়। আমাৰ ডিব্ৰুগড়ৰ সংবাদদাতাই জানিবলৈ দিয়া অনুযায়ী অগ্নিকাণ্ডত সাৰ কাৰখানাটোৰ এয়াৰ কম্প্ৰেচাৰ সম্পূৰ্ণৰূপে ধ্বংস হয়। উল্লেখযোগ্য যে, নামৰূপ সাৰ কাৰখানা- ব্ৰহ্মপুত্ৰ ভেলী ফাৰ্টিলাইজাৰ কৰ্পৰেচন লিমিটেডৰ বৰ্তমান চলি থকা এই তৃতীয় গোটটোৱে উৎপাদনৰ ক্ষেত্ৰত অত্যন্ত ভাল ফলাফল দেখুৱাবলৈ সমৰ্থ হৈছিল। চলিত বৰ্ষত মাত্ৰ ৪ মাহত এপ্ৰিল পৰা জুলাইলৈ এই উৎপাদন গোটটোৱে ১ লাখ ২০০৩ মেট্ৰিক টন ইউৰিয়া উৎপাদন কৰি অভিলেখ গঢ়িছিল। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সমাগত অসম ভ্ৰমণৰ সময়ত সাৰ কাৰখানাটোৰ নতুন এটা গোটৰ আধাৰশিলা স্থাপন কৰাৰ সম্ভাৱনা আছে। নতুন গোটটোক কৰ্মক্ষম হ'বলৈ প্ৰায় ৪-৫ বছৰ প্ৰয়োজন হ'ব। এই সময়ছোৱাত তৃতীয় গোটটোত সংঘটিত দুৰ্ঘটনাটোৱে সাৰ কাৰখানাটোত কৰ্মৰত ৪ শতাধিক বিষয়া-কৰ্মচাৰী আৰু প্ৰায় ১২০০ অস্থায়ী কৰ্মচাৰীৰ সৈতে উদ্যোগটোলৈকে শংকা কঢ়িয়াই আনিছে বুলি স্থানীয় ৰাইজে আশংকা ব্যক্ত কৰিছে।

০০০০০০

সমাপ্ত